# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-MAR-2026
**Time :** 0755 HRS

## *Assamese Morning Bulletin*

———————————————

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজপত্ৰিত অধিসূচনা জাৰি হোৱা বুলি ঘোষণা কৰে। ইয়াৰ লগে লগে ৰাজ্যত মনোনয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১২৬টা সমষ্টিৰ বাবে ২৩ মাৰ্চত মনোনয়ন দাখিলৰ সামৰণি পৰিব। সমষ্টিসমূহৰ ভিতৰত ৯টা অনুসূচীত জাতিৰ বাবে আৰু ১৯টা অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত কৰা হৈছে বুলি শ্ৰীগোৱেলে সংবাদমেলত প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যৰ ৩১ হাজাৰ ৪৮৬টা ভোটকেন্দ্ৰত দুই কোটি ৫০ লাখ ২১ হাজাৰ ৪১৩ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। এই ভোটগ্ৰহণত এশ শতাংশ ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। ভোটগ্ৰহণ নিয়াৰিকৈ চলাই নিয়াৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ২০০টা কোম্পানী ইতিমধ্যে ৰাজ্যত উপস্থিত হৈছে আৰু এই সপ্তাহতে কেইবাটাও কোম্পানী আহি পাব বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। দলগাঁও সমষ্টিত সৰ্বাধিক সংখ্যক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত আমৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীগোৱেলে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথিপত্ৰসহ কেন্দ্ৰলৈ গৈ সকলোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। মুখ্য নিৰ্বাচনী বিষয়াজনে নিৰ্বাচনৰ সময়ত নগদ ধন সৰবৰাহ সন্দৰ্ভত থকা নীতি-নিয়মৰ বিষয়ে কালিৰ সংবাদমেলত প্ৰকাশ কৰে।

**বাইট (গোৱেল)**

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত অন্ত পৰিব।

oooooo

বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই ৰাজ্যৰ কেইবাখনো জিলাৰ আয়ুক্ত তথা নিৰ্বাচনী বিষয়াই কালি সকলো বিভাগৰ মুৰব্বী তথা খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। মাজুলী জিলা সংহত আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে আয়োজন কৰা সংবাদমেলখনত জিলা নিৰ্বাচনী বিষয়া, অতিৰিক্ত আৰক্ষী অধীক্ষকসহ জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। জিলাখনত বিধানসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে লোৱা ব্যৱস্থা আৰু পদক্ষেপ সমূহৰ বিষয়ে আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে উল্লেখ কৰে।

ইপিনে, যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়তো আয়ুক্ত জয় শিৱানীয়ে এখন সংবাদ মেলৰ আয়োজন কৰে। সংবাদ মেলত জিলা আয়ুক্তগৰাকীয়ে আসন্ন বিধানসভা নিৰ্বাচনৰ বিভিন্ন দিশ আৰু নিৰ্বাচনী আচৰণ বিধি সম্বন্ধীয় কেইবাটাও বিষয় উল্লেখ কৰে। এই সংবাদমেলত জিলা নিৰ্বাচনী বিষয়াৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। চৰাইদেউ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষতো আয়ুক্ত ডাঃ নেহা যাদৱে জিলাখনত নিৰ্বাচন আচৰণ বিধি বলবৎ সম্বন্ধে সংবাদমেল সম্বোধন কৰে। জিলাখনৰ দুটা বিধানসভা সমষ্টিত নিৰ্বাচনী কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। জিলাখনৰ সোণাৰি বিধানসভা সমষ্টিত ২০৭টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু মাহমৰা বিধানসভা সমষ্টিত ১৮৪টা কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। জিলাখনত শান্তিপূৰ্ণ, স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসন সাজু বুলি আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

ধেমাজি জিলাত কালি আয়ুক্ত ৰাহুল সুৰেশ জাবিৰে বৈঠকৰ পাছত সংবাদমেলযোগে জিলাখনত শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতি গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। সংবাদমেলত

জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই আইন শৃংখলা দিশত আৰক্ষী প্ৰশাসনে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে অৱগত কৰে।

গোলাঘাট জিলাতো জিলা আয়ুক্ত পূবালী গোঁহাই আৰু আৰক্ষী অধীক্ষক ৰাজেন সিঙে এখন সংবাদমেল সম্বোধন কৰে। শ্ৰীভূমি জিলাতো নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হোৱাৰ লগে লগে জিলা প্ৰশাসনে নিৰ্বাচনী ব্যয় নিয়ন্ত্ৰণ, প্ৰচাৰ সামগ্ৰী প্ৰকাশ আৰু ৰাজনৈতিক প'ষ্টাৰ আঁতৰোৱাৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

চৰাইদেউ জিলাত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ নাটনি হোৱা বুলি প্ৰচাৰিত বাতৰি সম্পূৰ্ণ ভিত্তিহীন বুলি জিলা প্ৰশাসনে স্পষ্ট কৰি দিছে। একাংশ লোকে প্ৰচাৰ কৰা এনে উৰা বাতৰিয়ে জনসাধাৰণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে বুলি প্ৰকাশ কৰি এনে বাতৰিত পতিয়ন নাযাবলৈ জিলা আয়ুক্ত ডাঃ নেহা যাদৱে জনসাধাৰণক আহ্বান জনাইছে। তেওঁ কয়, যে জিলাখনত সম্প্ৰতি ৰন্ধন গেছৰ যোগান স্বাভাৱিক অৱস্থাত আছে আৰু নাটনিৰ কোনো আশংকা নাই। চৰকাৰী নিয়ম অনুসৰি এজন গ্ৰাহকে চিলিণ্ডাৰ এটা গ্ৰহণ কৰাৰ ২৫ দিন পাছতহে পৰৱৰ্তী চিলিণ্ডাৰটো বুক কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। কোনো গেছ বিতৰকে চিলিণ্ডাৰ জমা ৰাখি কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিলে অথবা নিৰ্ধাৰিত মূল্যতকৈ অধিক ধন দাবী কৰিলে তেনে লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমতী যাদৱে জনসাধাৰণক আতংকিত হৈ প্ৰয়োজনতকৈ অধিক চিলিণ্ডাৰ বুক নকৰিবলৈ আহ্বান জনায়।

০০০০০০

**সমাপ্ত**